উত্তৰ-পূৰ্বাঞ্চল

অস্কাৰৰ দৌৰত নাগালেণ্ডৰ ছবি ‘আংঘ’: ২০২৭ বৰ্ষৰ যোগ্যতা তালিকাত লাভ কৰিলে স্থান

২০২৭ চনৰ অস্কাৰৰ বাছনি তালিকাত স্থান লাভ কৰিছে নাগালেণ্ডৰ কন্যাক ভাষাৰ ছবি ‘আংঘ’-এ।

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



উত্তৰ-পূবৰ চলচ্চিত্ৰ জগতলৈ আহিছে এক গৌৰৱৰ খবৰ। নাগালেণ্ডৰ পটভূমিত নিৰ্মিত কন্যাক ভাষাৰ ছবি ‘আংঘ’ (Angh)-এ ২০২৭ বৰ্ষৰ অস্কাৰৰ আন্তঃৰাষ্ট্ৰীয় পূৰ্ণদৈর্ঘ্য চলচ্চিত্ৰ শাখাৰ যোগ্যতাৰ তালিকাত স্থান লাভ কৰিছে। থেজা ৰিঅ’ৰ পৰিচালনাৰে নিৰ্মিত ছবিখনে ৯৯ সংখ্যক একাডেমী বঁটাৰ বাবে ঘোষণা কৰা ১০৪খন ছবিৰ তালিকাত অন্তৰ্ভুক্ত হৈছে।

২৪ নৱেম্বৰ, মঙলবাৰে একাডেমী অৱ মোচন পিকচাৰ আৰ্টছ এণ্ড ছায়েন্সেছে এই যোগ্যতাৰ তালিকা প্ৰকাশ কৰে। ২০২৬ চনৰ টৰণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ‘প্লেটফৰ্ম প্ৰাইজ’ লাভ কৰাৰ বাবেই ছবিখনে অস্কাৰৰ আন্তঃৰাষ্ট্ৰীয় পূৰ্ণদৈর্ঘ্য চলচ্চিত্ৰ শাখাৰ বাবে পোনপটীয়াকৈ এই যোগ্যতা অৰ্জন কৰে।

অস্কাৰৰ নতুন নিয়ম অনুসৰি, নিৰ্দিষ্ট ছখন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত পুৰস্কাৰপ্ৰাপ্ত ছবিয়ে নিজ নিজ দেশৰ আনুষ্ঠানিক মনোনয়ন নোহোৱাকৈয়ে এই শাখাত প্ৰৱেশৰ সুযোগ পায়। এই নিয়মৰ অধীনতে ‘আংঘ’-এ স্থান লাভ কৰিছে। ছবিখনে ভাৰতৰ আনুষ্ঠানিক অস্কাৰ প্ৰেৰণ তথা সন্তোষ দাভাখৰ পৰিচালিত ‘গোন্ধল’ (Gondhal)-ৰ সৈতে একেখন তালিকাত স্থান পাইছে।

১০৩ মিনিট দৈর্ঘ্যৰ ‘আংঘ’ ছবিখনৰ কাহিনী আৰু চিত্রনাট্যও থেজা ৰিঅ’ৰ। ছবিখনৰ প্রযোজনা কৰিছে নেন্সি নিছা বেছোৱে আৰু কার্যবাহী প্রযোজক হিচাপে আছে গৌৰৱ ধিংৰা।

পৰিচালক থেজা ৰিঅ’ই জনায় যে ছবিখনৰ জৰিয়তে তেওঁলোকে কন্যাক জনগোষ্ঠীৰ জীৱনবোধ, অভিজ্ঞতা আৰু দৃষ্টিভংগী বিশ্বৰ দর্শকৰ মাজলৈ লৈ যাব বিচাৰিছে। জনগোষ্ঠীটোক কেৱল পর্দাত দেখুওৱাই নহয়, বিশ্ববাসীক তেওঁলোকক বুজি পোৱাৰ এক সুযোগ সৃষ্টি কৰাটোৱেই ছবিখনৰ মূল লক্ষ্য বুলি তেওঁ প্রকাশ কৰে।

অস্কাৰৰ মনোনয়ন নিশ্চিত কৰাৰ বাবে দলটোৱে পূর্ণ প্রচেষ্টা চলাব বুলি পৰিচালকগৰাকীয়ে কয়। সমান্তৰালভাৱে ছবিখন ভাৰততো মুক্তি দিয়াৰ পৰিকল্পনা চলি আছে।

উল্লেখ্য যে, ২০২৬ চনৰ ১৫ ডিচেম্বৰত অস্কাৰৰ এই শাখাৰ চমু তালিকা প্রকাশ পাব। ইয়াৰ পিছত ২০২৭ চনৰ ২১ জানুৱাৰীত চূড়ান্ত মনোনয়ন ঘোষণা কৰা হ’ব। অহা ২০২৭ চনৰ ১৪ মার্চত লছ এঞ্জেলছৰ ডলবি থিয়েটাৰত অনুষ্ঠিত হ’ব ৯৯ সংখ্যক একাডেমী বঁটা প্রদান অনুষ্ঠান।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6240/nagaland-film-angh-oscars-2027-race